GAS S3 01 (M/P)

অসমীয়া ব্যাকৰণ

তৃতীয় ষাণ্মাসিক

অসমীয়া

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৯, ১০, ১৫	পাপুমণি শইকীয়া জগন্নাথ বৰুৱা মহাবিদ্যালয়
১১, ১২, ১৪	ড° খগেশ সেন ডেকা পূব কামৰূপ মহাবিদ্যালয় (অৱসৰপ্রাপ্ত)
১৩	গোলাপ সুত প্রাগজ্যোতিষ মহাবিদ্যালয় পাপুমণি শইকীয়া

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° স্মৃতিৰেখা ভূঞা, গুৱাহাটী মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী

আৰ্হি কাকত ঃ ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়** **১৪৫-১৬১**
বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় ১০ ঃ **অসমীয়া ভাষাৰ বাক্যতত্ত্ব** **১৬২-১৭৭**
অসমীয়া ভাষাৰ বাক্যতত্ত্ব

অধ্যায় ১১ ঃ **অসমীয়া ভাষাৰ পদ** **১৭৮-১৯০**
অসমীয়া ভাষাৰ পদ

অধ্যায় ১২ ঃ **অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ** **১৯১-২০৭**
অসমীয়া ভাষাৰ বচন; অসমীয়া ভাষাৰ লিঙ্গ

অধ্যায় ১৩ ঃ **অসমীয়া ভাষাৰ কাৰক** **২০৮-২১৯**
অসমীয়া ভাষাৰ কাৰক

অধ্যায় ১৪ ঃ **অসমীয়া ভাষাৰ বিভক্তি** **২২০-২৩৫**
অসমীয়া ভাষাৰ বিভক্তি ঃ বিভক্তি আৰু প্রত্যয় বিভাজনৰ সূত্র, অসমীয়া ভাষাৰ শব্দ-বিভক্তি, অসমীয়া ভাষাৰ ক্রিয়া-বিভক্তি

অধ্যায় ১৫ ঃ **অসমীয়া ভাষাৰ প্রত্যয়** **২৩৬-২৫৬**
অসমীয়া ভাষাৰ প্রত্যয়ৰ সাধাৰণ পৰিচয় ঃ অসমীয়া ভাষাৰ অৱস্থানগত প্রত্যয়, অসমীয়া ভাষাৰ গুণগত প্রত্যয়

প্রসঙ্গ পুথি **২৫৭-২৫৮**

খণ্ড পৰিচয় ঃ খণ্ড - ২

'অসমীয়া ব্যাকৰণ' শীৰ্ষক পাঠ্যবিষয়খনৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোত সৰ্বমুঠ সাতটা অধ্যায় অন্তৰ্ভুক্ত হৈছে। ইয়াৰ আগৰ খণ্ডটোত ইতিমধ্যে আপুনি ব্যাকৰণ মানে কি, অসমীয়া ব্যাকৰণৰ ইতিহাস, ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ কিছু দিশ সম্পৰ্কে অধ্যয়ন কৰিলে। তদুপৰি বাংলা আৰু উড়িয়া ভাষাৰ সৈতে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ এক তুলনামূলক অধ্যয়নো সম্পন্ন কৰিলে। এতিয়া এই খণ্ডটোত আমি বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰি অসমীয়া ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কে বহলাই অধ্যয়ন কৰাৰ উপৰি অসমীয়া ৰূপতত্ত্বৰ কেইটামান উল্লেখযোগ্য দিশ সম্পৰ্কে বহলাই আলোচনা কৰিম।

সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলি ক'লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে য'ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়। এই খণ্ডটোৰ প্ৰথম অৰ্থাৎ পাঠ্যবিষয়খনৰ নৱম অধ্যায় — 'বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়'ত আমি বাক্যতত্ত্বৰ লগত সম্পৰ্কীত দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিম। দশম অধ্যায় 'অসমীয়া ভাষাৰ বাক্যতত্ত্ব'ত অসমীয়া বাক্যতত্ত্ব সম্পৰ্কীয় প্ৰায় আটাইবোৰ দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰ পৰৱৰ্তী অধ্যায়কেইটাত অসমীয়া ৰূপতত্ত্বৰ কেইটামান উল্লেখযোগ্য দিশ — অসমীয়া ভাষাৰ পদ, বচন, লিঙ্গ, কাৰক, বিভক্তি আৰু প্ৰত্যয় সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। অধ্যায় কেইটাৰ শিৰোনাম ক্ৰমে — একাদশ অধ্যায় ঃ অসমীয়া ভাষাৰ পদ, দ্বাদশ অধ্যায় ঃ অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ, ত্ৰয়োদশ অধ্যায় ঃ অসমীয়া ভাষাৰ কাৰক, চতুৰ্দশ অধ্যায় ঃ অসমীয়া ভাষাৰ বিভক্তি আৰু পঞ্চদশ অধ্যায় ঃ অসমীয়া ভাষাৰ প্ৰত্যয়। এই খণ্ডটোৱে আপোনাক অসমীয়া বাক্যতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব সম্পৰ্কে এটি ধাৰণা তৈয়াৰ কৰাত সহায় কৰিব বুলি আশা কৰা যায়।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।